**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***00000***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত ছাত্ৰ-ছাত্ৰীসকলক চাপ আৰু উদ্বিগ্নতাৰ পৰা আঁতৰত থাকি পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনায়।

২। বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দিনৰ ২ বজালৈ সদনৰ কাম-কাজ স্থগিত ৰখা হৈছে।

৩। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে লোকসভাৰ কাম-কাজত কংগ্ৰেছ দলে ব্যাঘাত জন্মোৱা বুলি অভিযোগ তুলিছে।

৪। চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনীয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব।।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত খেলত স্কটলেণ্ডে ইটালীক জয়ৰ বাবে ২০৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চাৰ দ্বিতীয় খণ্ডত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক চাপ আৰু উদ্বিগ্নতাৰ পৰা আঁতৰত থাকি পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ আহ্বান জনায়। এই মত বিনিময় কালত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সৰু-সৰু ষ্টাৰ্টআপৰ জৰিয়তে উদ্যমশীলতাৰ যাত্ৰা আৰম্ভ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে ক্ষুদ্ৰ আৰম্ভণিৰ পৰাই মহৎ ধাৰণা গঢ় লৈ উঠে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগীসকলক সাক্ষাৎ কৰি তেওঁলোকে কেনেদৰে কাম-কাজ কৰে, সেই বিষয়ে বাস্তৱসন্মত জ্ঞান আহৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ লগতে পাঠ্যপুথিৰ বাহিৰৰ বাস্তৱিক পৃথিৱীখনৰ বিষয়ে অভিজ্ঞতা অৰ্জন কৰিবলৈ পৰামৰ্শ দিয়ে।

অধ্যয়ন আৰু নিচাৰ মাজত ভাৰসাম্য বজাই ৰখা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কয়, যে তেওঁলোকে বিদ্যায়তনিক পাঠ্যক্ৰম আৰু সৃষ্টিমূলক কাম-কাজ পৃথক বুলি ভবা উচিত নহয়। দুয়োটাই সমানেই গুৰুত্বপূৰ্ণ আৰু দুয়োটা বৰ্তাই ৰখাৰ ক্ষেত্ৰত ভাৰসাম্য ৰক্ষা কৰাটো টান কাম নহয় বুলিও তেওঁ উল্লেখ কৰে। কলাত্মক আৰু সৃষ্টিশীল কাম-কাজ তথা অৱসৰ বিনোদনে ছাত্ৰ-ছাত্ৰীৰ মানসিক চাপ আৰু ক্লান্তি দূৰ কৰি মন সুস্থিৰ কৰি তোলে বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ কথা সোঁৱৰাই দি ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰখাৰ লগতে যান-বাহনৰ আইন মানি চলিবলৈ আৰু খাদ্যৰ অপ-

ব্যৱহাৰ নকৰিবলৈ আহ্বান জনায়। অনুশাসন আৰু নিয়মানুৱৰ্তিতাই ৰাষ্ট্ৰ গঠনত বৃহৎ ভূমিকা পালন কৰে বুলিও তেওঁ মন্তব্য কৰে। ভ'কেল ফ'ৰ লোকেলৰ বিষয়ে উল্লেখ কৰি তেওঁ শিক্ষাৰ্থীসকলক ভাৰতত প্ৰস্তুত কৰা সামগ্ৰী ক্ৰয় কৰি ঘৰুৱা অৰ্থনীতি শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। কৃত্ৰিম বুদ্ধিমত্তা আৰু প্ৰযুক্তিৰ ব্যৱহাৰে সংকট সৃষ্টি কৰিব পাৰে নেকি বুলি একাংশ শিক্ষাৰ্থীয়ে সোধা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰযুক্তিৰ ব্যৱহাৰক লৈ শংকিত আৰু ইয়াৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হোৱাৰ পৰিৱৰ্তে  শিক্ষাৰ্থীসকলে ইয়াৰ সৎ ব্যৱহাৰ কৰি লাভান্বিত হ'বলৈ আহ্বান জনায়। শ্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক যিকোনো অঞ্চল ভ্ৰমণ কৰিলে সেই অঞ্চলৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ বিষয়সমূহ গভীৰভাৱে অধ্যয়ন কৰাৰ লগতে সুস্থ প্ৰতিযোগিতা কৰিবলৈও পৰামৰ্শ দিয়ে। শ্ৰী মোদীয়ে শিক্ষাৰ্থীসকলক ক্ৰীড়াক দৈনন্দিন জীৱনৰ অংশ কৰি লোৱাৰ লগতে দৈনিক কমেও এবাৰকৈ প্ৰাণায়াম কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। পৰিৱেশ ৰক্ষাৰ প্ৰতি যত্নপৰ হৈ নিজৰ দায়িত্ব পালন কৰিবলৈ শিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ লগতে কয়, যে ভাৰতৰ বিকাশত জনজাতীয় সম্প্ৰদায়সমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই বিষয়সমূহ সন্দৰ্ভত অধ্যয়ন কৰিবলৈ তেওঁ শিক্ষাৰ্থীসকলক পৰামৰ্শ দিয়ে।

সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাৰ সময়ৰ মানসিক চাপ, পৰীক্ষাৰ প্ৰস্তুতি, সময় ব্যৱস্থাপনা আদি সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়ায়। পৰীক্ষা পে চৰ্চাৰ যোৱা ৬ ফেব্ৰুৱাৰীত প্ৰচাৰিত প্ৰথমটো খণ্ডত প্ৰধানমন্ত্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

০০০০০০০০০

বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দিনৰ ২ বজালৈ সদনৰ কাম-কাজ স্থগিত ৰখা হৈছে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ পাছতে একেটা কাৰণতে দিনৰ ১২ বজালৈ স্থগিত ৰখা হৈছিল। ১২ বজাত দ্বিতীয় বাৰৰ বাবে সদন মিলিত হোৱাত মন্ত্ৰীসকলে সংশ্লিষ্ট মন্ত্ৰালয়ৰ নথিসমূহ দাখিল কৰে। ইয়াৰ পাছত সদন পৰিচালনাৰ দায়িত্ববাহী অধ্যক্ষগৰাকীয়ে  ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ প্ৰয়াস চলায় যদিও বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতিৰে সদনৰ কাম-কাজত ব্যাঘাত জন্মায়। অধ্যক্ষগৰাকীয়ে কয় যে কেন্দ্ৰীয় বাজেট সন্দৰ্ভত মত প্ৰকাশ কৰাৰ বাবে তেওঁক কংগ্ৰেছৰ সাংসদ শশী থাৰুৰৰ নামটো দিয়া হৈছে। কিন্তু কংগ্ৰেছৰ সাংসদসকলে বিৰোধী পক্ষৰ নেতাগৰাকীয়ে নিজৰ বক্তব্য ৰাখিব বিচৰা বুলি প্ৰকাশ কৰে। ইয়াৰ প্ৰত্যুত্তৰত অধ্যক্ষগৰাকীয়ে কয় যে বিৰোধী পক্ষৰ নেতাগৰাকীক কেন্দ্ৰীয় বাজেট সন্দৰ্ভত মত প্ৰকাশ কৰিবলৈহে অনুমতি দিয়া হ'ব। ইয়াৰ পাছত হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে। ইয়াৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা কৰিব পৰা নগ'ল।

সংসদৰ উভয় সদনে হাৰাৰেত অনুষ্ঠিত ১৯ অনুৰ্ধ বিশ্বকাপ ক্ৰিকেট ২০২৬ প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ড পৰাস্ত কৰি খিতাপ দখল কৰা ভাৰতীয় দলটোক আজি শুভেচ্ছা জনায়। দিনৰ ১১ বজাত লোকসভাৰ কাম-কাজৰ আৰম্ভ হোৱাৰ লগে লগে অধ্যক্ষ ওম বিৰলাই কয় যে ভাৰতীয় খেলুৱৈসকলে দৃষ্টান্তমূলক দক্ষতা, নিষ্ঠা, নিয়মানুৱৰ্তিতা আৰু দলীয় ঐক্য প্ৰদৰ্শন কৰিছে। তেওঁ কয় যে এই বিজয়ে দেশৰ বিভিন্ন প্ৰান্তৰ যুৱ চামক ক্ৰীড়া ক্ষেত্ৰত উৎকৰ্ষতা লাভ কৰাৰ বাবে অনুপ্ৰাণিত কৰিব। আনহাতে ৰাজ্যসভাত আজি দিনটোৰ

কাম-কাজ আৰম্ভ হোৱাৰ লগে লগে সভাপতি চি পি ৰাধাকৃষ্ণণে দলটোৰ নিষ্ঠা আৰু প্ৰতিভাক প্ৰশংসা কৰি তেওঁলোকৰ দলীয় ঐক্যৰ শলাগ লয়।

০০০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে লোকসভাৰ কাম-কাজত কংগ্ৰেছ দলে ব্যাঘাত জন্মোৱা বুলি অভিযোগ তুলিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত শ্ৰীৰিজিজুৱে কয় যে কংগ্ৰেছ দলৰ সদস্যসকলৰ অসাংবিধানিক আচৰণৰ বাবে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত লোকসভাত আলোচনা কৰিব পৰা নগ'ল। লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও বিৰোধী পক্ষৰ আচৰণ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰে বুলি শ্ৰীৰিজিজুৱে প্ৰকাশ কৰে। চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় আলোচনাত মত প্ৰকাশ কৰিবলগীয়া এন ডি এ সাংসদসকলৰ এখন তালিকা দাখিল কৰা বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয় যে ব্যাঘাতৰ বাবে সদস্যসকলে নিজৰ মত প্ৰকাশ কৰাৰ সুযোগ নাপালে কংগ্ৰেছ দল দায়ী হ'ব। উল্লেখযোগ্য যে আজি সংসদত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা হোৱাৰ কথা। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে পহিলা ফেব্ৰুৱাৰীত সংসদত বাজেট দাখিল কৰিছে। যোৱা ২৮ জানুৱাৰীত আৰম্ভ হোৱা বাজেট অধিবেশনৰ প্ৰথম পৰ্যায়ৰ অহা ১৩ ফেব্ৰুৱাৰীত অন্ত পৰিব। এই অধিবেশনৰ দ্বিতীয় পৰ্যায় অহা ৯ মাৰ্চত আৰম্ভ হৈ ২ এপ্ৰিললৈ অব্যাহত থাকিব।

০০০০০০০০০

চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হৰ্মিনী চেন্নাই আৰু আৰু মুম্বাই ভ্ৰমণৰ অন্তত কালি নতুন দিল্লীত উপস্থিত হয়। পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা শ্ৰীহৰ্মিনীক কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেলে বিমান বন্দৰত আদৰণি জনায়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে চিচিলিৰ ৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাই আৰু মুম্বাইত প্ৰশাসন, উদ্যোগ, উপকূলীয়া ব্যৱস্থাপনা আৰু স্বাস্থ্য খণ্ডকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডৰ অংশীদাৰীসকলৰ সৈতে মত বিনিময় কৰে। নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে তেওঁ বাৰ্তালাপত মিলিত হ'ব। দুয়োগৰাকী নেতাই উমৈহতীয়া স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সন্দৰ্ভত মত বিনিময় কৰিব। শ্ৰীহৰ্মিনীয়ে সন্ধিয়াৰ ভাগলৈ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰাৰ কথা।

০০০০০০০০০

সেনাবাহিনী আৰু আই ডি এফ চি ফাৰ্ষ্ট বেংকে সেনাবাহিনীৰ লোক আৰু অৱসৰপ্ৰাপ্ত বিষয়াসকলক বেংক সেৱাৰ সুবিধা আৰু অতিৰিক্ত বীমাৰ সুবিধা প্ৰদানৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে সেনাবাহিনীৰ জনসংযোগ বিভাগৰ অতিৰিক্ত সঞ্চালক প্ৰধানে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা সুৰক্ষা ৬০ লাখ টকালৈকে আগবঢ়োৱা হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আজি চত্তীশগড়ৰ জগদলপুৰত অনুষ্ঠিত বাষ্টৰ পন্দুম মহোৎসৱৰ সামৰণি অনুষ্ঠাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তিনিদিনীয়াকৈ অনুষ্ঠিত এই মহোৎসৱখন যোৱা শুক্ৰবাৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উদ্বোধন কৰিছিল। উল্লেখযোগ্য যে, এই মহোৎসৱত জনজাতীয় সম্প্ৰদায়সমূহৰ জীৱনশৈলী, বিশ্বাস, ৰীতি-নীতি তথা বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শন কৰা হয়। লোককলা, থলুৱা পৰম্পৰা আৰু

পৌৰাণিক ৰীতি-নীতিৰে সমৃদ্ধ **বাষ্টৰ পণ্ডুম** মহোৎসৱ জনজাতীয় লোকসকলৰ পৰিচয়, গৌৰৱ আৰু ঐতিহ্য শক্তিশালী কৰাৰ উল্লেখনীয় মঞ্চ হিচাপে বিবেচিত হৈছে। এইবাৰৰ মহোৎসৱত জনজাতীয় নৃত্য, থিয়েটাৰ, থলুৱা বাদ্যযন্ত্ৰ আৰু খাদ্যসম্ভাৰ, হস্তশিল্প আদিকে ধৰি ১২ টা শিতানত প্ৰদৰ্শনী অনুষ্ঠিত হয়। মহোৎসৱত বাষ্টৰ খণ্ডৰ উপৰি মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু কৰ্ণাটকৰ লোকশিল্পীসকলে অনুষ্ঠান পৰিৱেশন কৰে।

ooooooooo

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত খেলত স্কটলেণ্ডে ইটালীক জয়ৰ বাবে ২০৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইটালীয়ে টচত জিকি বলিঙৰ সিদ্ধান্ত লয়। স্কটলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২০৭ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইটালীয়ে বাতৰি যুগুতোৱাৰ পৰলৈ ১১ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ১০০ ৰান সংগ্ৰহ কৰিছে।

বিয়লি তিনি বজাত কলম্বোত হ'বলগীয়া আন এখন খেলত জিম্বাবুৱে আৰু ওমান মুখামুখি হ'ব। সন্ধিয়া সাত বজাত আহমেদাবাদত হ'বলগীয়া তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডক ২০ ৰাণত পৰাস্ত কৰে।

ooooooooo

সমাপ্ত